# 2024

Anandaram Dhekial Phookan College Library * Nagaon : Assam
Acc. No.
Date

## ASSAMESE

( Honours Core )

Paper : ASM–HC–5016

( অসমীয়া নাটক আৰু পৰিৱেশনশৈলী )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) শংকৰদেৱে নাট সৃষ্টি কৰাৰ পূৰ্বৰে পৰা অসমত প্ৰচলিত এবিধ লোকনাট্যৰ নাম লিখা।

(খ) কুশান গানৰ উৎপত্তিৰ লগত কোনখন মহাকাব্যৰ কথা জড়িত হৈ আছে?

(গ) ঝুমুৰাৰ এটি বৈশিষ্ট্য লিখা।

(ঘ) গায়ন-বায়ন কোন শ্ৰেণীৰ নাটকৰ লগত সম্পৰ্কিত?

(ঙ) মহাকাব্যিক নাট(epic theatre) নাটকৰ এই ৰূপটোৰ লগত প্ৰথমে কোনজন নাট্যকাৰ জড়িত হৈ আছিল?

(চ) শ্ৰীকৃষ্ণক ৰুক্মিণীৰ বিষয়ে জনোৱা ভাটজনৰ নাম কি আছিল ?

(ছ) 'নীলাম্বৰ' নাটকৰ কাহিনী নিৰ্মাণত কোনজন ইংৰাজ নাট্যকাৰৰ প্ৰভাৱ দেখা যায় ?

(জ) কমতাপুৰৰ ৰাজমাতাৰ নাম কি আছিল ?

(ঝ) 'কুকুৰনেছীয়া মানুহ' নামৰ নাটকখনৰ ৰচক কোন ?

(ঞ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা এখন কাব্যনাটৰ নাম লিখা ।

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) অংকীয়া নাটত ব্যৱহৃত দুবিধ ভটিমাৰ নাম লিখা ।

(খ) 'ৰুক্মিণী হৰণ' নাটত ৰুক্মিণীৰ সখী দুগৰাকীৰ নাম কি ?

(গ) 'নীলাম্বৰ' নাটকৰ দুটা নাৰী চৰিত্ৰৰ নাম লিখা ।

(ঘ) নাট্যকাৰ কৰুণা ডেকাৰ দ্বাৰা ৰচিত দুখন লোকনাটৰ আৰ্হিত ৰচিত নাটৰ নাম লিখা ।

(ঙ) পঞ্চমুখা কি ? পঞ্চমুখা কোনে নিৰ্মাণ কৰিছিল ?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অংকীয়া নাটত ব্যৱহৃত ব্ৰজাৱলী ভাষাৰ বিষয়ে চমুকৈ আলোচনা কৰা ।

(খ) 'ৰুক্মিণী হৰণ' নাটৰ ৰুক্মিণী চৰিত্ৰটিৰ বিষয়ে লিখা ।





(গ) 'মহাকাব্যিক নাট'ৰ উপস্থাপনশৈলীৰ বিষয়ে চমুকৈ লিখা ।

(ঘ) 'নীলাম্বৰ' নাটখনৰ সংঘাত সৃষ্টিত নন্দৰ ভূমিকা কি, বিচাৰ কৰা ।

(ঙ) প্ৰাঞ্জলৰ চৰিত্ৰই 'উৰুখা' নাটকৰ কাহিনীৰ গতিময়তাত কি ভূমিকা লৈছে, চমুকৈ লিখা ।

(চ) 'এবছাৰ্ড নাট'ৰ কোনবোৰ লক্ষণ 'আহাৰ' নাটখনত দেখা যায়, আলোচনা কৰা ।

Anandaram Dhekial Phookan College Library
Acc. No. ............
Date............
* Nagaon : Assam *

৪। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অংকীয়া নাটৰ পৰিৱেশনশৈলীৰ বিষয়ে আলোচনা কৰা ।

*অথবা*

'ৰুক্মিণী হৰণ' নাটৰ মূল কি ? নাটখনত নাট্যকাৰৰ মৌলিকতাসমূহ আলোচনা কৰা ।

(খ) অসমীয়া এবছাৰ্ডধৰ্মী নাটক সম্পৰ্কে এটি চমু নিবন্ধ লিখা ।

*অথবা*

নাট্যকাৰ অৰুণ শৰ্মাৰ 'আহাৰ' নাটখনৰ নাৰী চৰিত্ৰৰ মাজেৰে সমাজৰ কোনবোৰ দিশ দাঙি ধৰিছে, সেই দিশবোৰৰ বিষয়ে আলোচনা কৰা ।



(গ) নাট পৰিৱেশনত মঞ্চৰ গুৰুত্ব কিমান? 'নীলাম্বৰ' নাটখনৰ আধাৰত আলোচনা কৰা।

*অথবা*

বুৰঞ্জীমূলক নাট বুলিলে কি বুজা? বুৰঞ্জীমূলক নাট হিচাপে 'নীলাম্বৰ' নাটখনৰ এটি আলোচনা আগবঢ়োৱা।

(ঘ) 'উৰুখা' নাটখনত দেখা পোৱা ভোগবাদী সমাজ-বাস্তৱতাৰ বিষয়ে বহলাই আলোচনা কৰা।

*অথবা*

কাব্যনাট বুলিলে কি বুজা? 'উৰুখা' নাটখনৰ উপস্থাপন-শৈলী সম্পৰ্কে আলোচনা কৰা।

★★★

Anandaram Dhekial Phookan College Library
Acc. No.
Date
* Nagaon : Assam *